# পঞ্জীয়ক কাৰ্যালয় ঃঃ শিৱসাগৰ বিশ্ববিদ্যালয়

প্ৰসংগ নংঃ SU/DSW/Student Welfare/26/788 তাৰিখঃ ২ ছেপ্তেম্বৰ, ২০২৬

## জাননী

ইয়াৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ সকলো বিভাগৰ সন্মানীয় মুৰব্বীসকলক (HoD) অনুৰোধ জনোৱা হয় যে, যোৱা ইং ২০ আগষ্ট, ২০২৬ তাৰিখে মাননীয় উপাচাৰ্য মহোদয়ৰ সভাপতিত্বত অনুষ্ঠিত **"বিকশিত ভাৰত - নিচামুক্ত ভাৰত অভিযান"** ৰ সভাত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি, প্ৰতিটো বিভাগে ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা সদস্য লৈ এটা **"প্ৰহৰী গোট"** (Prohori Group) গঠন কৰিব। উক্ত প্ৰহৰী গোটে বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে প্ৰতি সপ্তাহত এঘণ্টীয়া এটা সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰিব। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক নিচাজাতীয় দ্ৰব্যৰ পৰা আঁতৰাই ৰখা, নিচামুক্ত শিক্ষানুষ্ঠানৰ পৰিৱেশ গঢ়ি তোলা আৰু সুস্থ, দায়িত্বশীল তথা ইতিবাচক জীৱনশৈলী গ্ৰহণৰ বাবে উৎসাহিত কৰা।

সেয়েহে, বিশ্ববিদ্যালয়ৰ সকলো বিভাগৰ মুৰব্বীসকলক (HoD) নিজ নিজ বিভাগত প্ৰতি সপ্তাহে উক্ত এক ঘণ্টীয়া সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ অনুৰোধ জনোৱা হ'ল। কাৰ্যসূচীসমূহ নিয়মীয়া পাঠদান আৰু শৈক্ষিক কাৰ্যকলাপত কোনো ধৰণৰ ব্যাঘাত নোহোৱাকৈ অনুষ্ঠিত কৰিব লাগিব। এই সন্দৰ্ভত এক ঘণ্টীয়া সজাগতামূলক কাৰ্যসূচীৰ এটা প্ৰস্তাৱিত কাৰ্যক্ৰমণিকা ইয়াৰ সৈতে সংলগ্ন কৰা হৈছে। বিভাগসমূহে উক্ত কাৰ্যক্ৰমণিকা অনুসৰণ কৰি বা বিষয়টোৰ সৈতে সংগতি ৰাখি উপযুক্ত কাৰ্যসূচী গ্ৰহণ কৰিব পাৰিব। কাৰ্যসূচীৰ অংশ হিচাপে সজাগতামূলক বক্তব্য, ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময়, প্ৰশ্নোত্তৰ, বেনাৰ/শ্লোগান লিখন, কুইজ, চুটি তথ্যচিত্ৰ প্ৰদৰ্শন, নিচামুক্ত ভাৰতৰ শপত গ্ৰহণ আদি কাৰ্যসূচী অন্তৰ্ভুক্ত কৰিব পাৰিব। সকলো বিভাগীয় মুৰব্বীক কাৰ্যসূচীসমূহৰ তাৰিখ, বিষয়, অংশগ্ৰহণকাৰীৰ সংখ্যা আৰু ফটোগ্ৰাফসহ চমু প্ৰতিবেদন সংৰক্ষণ কৰি এই তথ্যসমূহ Nodal Officer Dr. Sukumar Das ক জমা দিবলৈ অনুৰোধ জনোৱা হ'ল। য'ত এই তথ্যসমূহ সন্মানীয় ৰাজ্যপাল মহোদয়লৈ প্ৰেৰণ কৰিব লাগিব।

সকলোৰে সক্ৰিয় সহযোগিতাৰে এই গুৰুত্বপূৰ্ণ পদক্ষেপটো সফল কৰি তোলাৰ বাবে সহযোগিতা কামনা কৰা হ'ল।

*সংলগ্নঃ*

১. নিচা মুক্ত ভাৰত অভিযানৰ অধীনত এক ঘণ্টীয়া সাপ্তাহিক সজাগতামূলক কাৰ্যসূচীৰ প্ৰস্তাৱিত কাৰ্যক্ৰমণিকা।

**(দিগন্ত বৰা)**
*ছাত্ৰ কল্যাণ গুৰু*
*শিৱসাগৰ বিশ্ববিদ্যালয়*

*প্ৰতিলিপি প্ৰেৰণঃ*

১। মাননীয় উপাচাৰ্য মহোদয়ৰ বিশেষ কৰ্তব্যৰত বিষয়ালৈ

২। পঞ্জীয়কৰ মহোদয়লৈ

৩। শৈক্ষিক পঞ্জীয়ক মহোদয়লৈ

৪। সকলো বিভাগীয় মুৰব্বীলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে।

৫। বিত্ত আৰু হিচাপ বিষয়ালৈ

৬। জাননী ফলকত প্ৰদৰ্শনৰ বাবে।

৭। বিশ্ববিদ্যালয়ৰ ৱেবছাইটত প্ৰকাশৰ বাবে।

৮। কাৰ্যালয়ৰ নথিৰ বাবে।

**(দিগন্ত বৰা)**
*ছাত্ৰ কল্যাণ গুৰু*
*শিৱসাগৰ বিশ্ববিদ্যালয়*

Office of the Registrar Sibsagar University ★ Sivasagar ★
Date..........

## নিচামুক্ত ভাৰত অভিয়ানৰ অধীনত বিভাগীয় সাপ্তাহিক এক ঘন্টীয়া সজাগতামূলক অনুষ্ঠানৰ প্ৰস্তাৱিত কাৰ্যক্ৰমণিকা

**১) আদৰণি আৰু কাৰ্যসূচীৰ পৰিচয় — ৫ মিনিট**

কাৰ্যসূচীৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তাৰ বিষয়ে চমু পৰিচয়। নিচামুক্ত শিক্ষানুষ্ঠানৰ গুৰুত্ব সম্পৰ্কে আলোচনা।

**২) সজাগতামূলক বক্তব্য — ১৫ মিনিট**

ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্য সেৱনৰ স্বাস্থ্যজনিত ক্ষতি। নিচাসক্তিৰ ফলত শিক্ষা, কেৰিয়াৰ আৰু পৰিয়াল জীৱনত পৰা নেতিবাচক প্ৰভাৱ। ছাত্ৰ-ছাত্ৰীৰ মাজত সচৰাচৰ দেখা পোৱা নিচাযুক্ত দ্ৰব্য আৰু ইয়াৰ ক্ষতিকাৰক প্ৰভাৱ।

**৩) ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় আৰু মুক্ত আলোচনা — ১৫ মিনিট**

প্ৰশ্নোত্তৰ আৰু মুক্ত আলোচনা। ড্ৰাগছ সম্পৰ্কীয় ভুল ধাৰণা আৰু ভ্ৰান্ত বিশ্বাস দূৰ কৰা। ছাত্ৰ-ছাত্ৰীৰ সমস্যা, অভিজ্ঞতা আৰু পৰামৰ্শ শুনা।

**৪) সজাগতামূলক ভিডিঅ'/চুটি তথ্যচিত্ৰ প্ৰদৰ্শন — ১০ মিনিট**

নিচাযুক্ত দ্ৰব্যৰ অপকাৰিতা, নিচাসক্তি প্ৰতিৰোধ আৰু পুনৰ্বাসনৰ ওপৰত চুটি ভিডিঅ' বা তথ্যচিত্ৰ প্ৰদৰ্শন।

**৫) ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণমূলক কাৰ্যকলাপ — ১০ মিনিট**

বিভাগে তলত দিয়া যিকোনো এটা কাৰ্যসূচী অনুষ্ঠিত কৰিব পাৰে—

পোষ্টাৰ নিৰ্মাণ আৰু শ্লোগান লিখন। চমু বক্তৃতা বা বিতৰ্ক প্ৰতিযোগিতা। নিচা-বিৰোধী কুইজ। ৰচনা বা কবিতা লিখন।

বাটৰ নাট/অভিনয়। নিচামুক্ত ভাৰতৰ ওপৰত সজাগতামূলক আলোচনা।

**৬) নিচা মুক্ত ভাৰতৰ শপত — ৫ মিনিট**

উপস্থিত সকলো শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰি থাকিবলৈ আৰু এখন নিচামুক্ত সমাজ তথা বিশ্ববিদ্যালয় গঢ়ি তুলিবলৈ শপত গ্ৰহণ কৰিব।

সাপ্তাহিক আলোচনাৰ সম্ভাব্য বিষয়-

১) প্ৰথম সপ্তাহঃ ড্ৰাগছ আৰু নিচাসক্তিৰ বিষয়ে পৰিচয়
২) দ্বিতীয় সপ্তাহঃ নিচাযুক্ত দ্ৰব্য সেৱনৰ স্বাস্থ্যজনিত ক্ষতি
৩) তৃতীয় সপ্তাহঃ ড্ৰাগছৰ ফলত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আৰু ভৱিষ্যতৰ ওপৰত পৰা প্ৰভাৱ
৪) চতুৰ্থ সপ্তাহঃ মানসিক সুস্থতা আৰু নিচা প্ৰতিৰোধ
৫) পঞ্চম সপ্তাহঃ নিচামুক্ত বিশ্ববিদ্যালয় গঢ়াত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা
৬) ষষ্ঠ সপ্তাহঃ বন্ধুৰ হেঁচা (Peer Pressure) আৰু নিচাক "নাই" কোৱাৰ কৌশল
৭) সপ্তম সপ্তাহঃ নিচা প্ৰতিৰোধত পৰিয়াল আৰু সমাজৰ ভূমিকা
৮) অষ্টম সপ্তাহঃ ড্ৰাগছ সেৱনৰ আইনী আৰু সামাজিক পৰিণতি
৯) নৱম সপ্তাহঃ নিচাসক্ত ব্যক্তিৰ চিকিৎসা, পুনৰ্বাসন আৰু পুনৰ সংস্থাপন
১০) দশম সপ্তাহঃ নিচামুক্ত ভাৰত গঢ়াত যুৱ সমাজৰ নেতৃত্ব

**বিভাগৰ দায়িত্ব**

- সংশ্লিষ্ট বিভাগীয় মুৰব্বীয়ে (HoD) কাৰ্যসূচীটো সমন্বয় কৰিব।
- শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব।
- প্ৰয়োজন অনুসৰি চিকিৎসক, পৰামৰ্শদাতা, আৰক্ষী বিষয়া, সমাজকৰ্মী, পুনৰ্বাসন বিশেষজ্ঞ অথবা উপযুক্ত সমল ব্যক্তি আমন্ত্ৰণ কৰিব পাৰে।
- প্ৰতিটো কাৰ্যসূচীৰ তাৰিখ, বিষয়, অংশগ্ৰহণকাৰীৰ সংখ্যা আৰু ফটোগ্ৰাফ সংৰক্ষণ কৰিব।
- কাৰ্যসূচীসমূহ নিয়মীয়া পাঠদান আৰু শৈক্ষিক কাৰ্যকলাপত যাতে কোনো ধৰণৰ ব্যাঘাত নঘটায়, সেই কথা নিশ্চিত কৰিব।

Office of the Registrar Sibsagar University ★ Sivasagar ★
Date..................

দিগন্ত বৰা
**(দিগন্ত বৰা)**
*ছাত্ৰ কল্যাণ গুৰু*
*শিৱসাগৰ বিশ্ববিদ্যালয়*